

# ভাষা-সাহিত্য-সংস্কৃতিৰ নব্য চিন্তা

সম্পাদনা ঃ ড° পুণ্য লতা গোহাঁই
ড° ধনেশ্বৰ কলিতা
ড° বিজু মৰাণ
ড° ৰত্নেশ্বৰ মিলি

অলিম্পিয়া প্ৰকাশন
OLYMPIA PRAKASHAN



**BHASA SAHITYA-SANGSKRITIR NAVYA SINTA** : A collection of selected articles on Language, Literature, Culture, Art etc. Edited by Dr. Punya Lata Gohain, Dr. Dhaneswar Kalita, Dr. Biju Moran and Dr. Ratneswar Mili, Published by Chiranjib Sharma, Olympia Prakashan, Guwahati Campus, on behalf of Dogo Rangsang Research Society, Gauhati University, Jalukbari-14, First Edition- December, 2020 Rs. 200/-

ISBN : "978-93-87035-63-8"

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০২০

প্ৰকাশক ঃ
অলিম্পিয়া প্ৰকাশন, গুৱাহাটী
গ্ৰন্থস্বত্ব ঃ দগো ৰাংছাং গৱেষণা সমিতি
বেটুপাত ঃ মুবিন ৰাভা

ডি. টি. পি. ঃ চন্দন ভট্টাচাৰ্য্য

মূল্য ঃ ২০০ টকা

মুদ্ৰক ঃ
অলিম্পিয়া প্ৰকাশন

**সম্পাদনা সমিতি**

**উপদেষ্টা**
ড° উপেন ৰাভা হাকাচাম
**সভাপতি**
ড° ললিত চন্দ্ৰ ৰাভা
**আহ্বায়ক**
ড° অংশুমান দাস
**সম্পাদনা**
ড° পুণ্য লতা গোহাঁই
ড° ধনেশ্বৰ কলিতা
ড° বিজু মৰাণ
ড° ৰত্নেশ্বৰ মিলি

| | | |
|---|---|---|
| ১৫। গৰন ঃ এক চমু আলোকপাত | ড° জোনালী বৰুৱা | ১৪৭ |
| ১৬। হিমেন্দ্ৰ বৰঠাকুৰৰ 'বিন্দু' নাটকৰ এটি পৰ্যালোচনা | মাইনী চমুৱা | ১৫৫ |
| ১৭। শিলভদ্ৰৰ সাহিত্যকৃতি আৰু 'বৃত্ত' গল্পৰ সামগ্ৰিক আলোচনা | ড° মন্মী বৰুৱা | ১৬৭ |
| ১৮। সাম্প্ৰতিক কালত অনুবাদ অনুশীলনৰ প্ৰাসংগিকতা | নীহাৰিকা ফুকন | ১৭৪ |
| ১৯। কৃষ্ণকান্ত সন্দিকৈৰ 'জাৰ্মেনিৰ জ্ঞান-সাধনা' আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ভাবীকালৰ সংস্কৃতি' ঃ এটি বিশ্লেষণ | ড° জ্যোতিৰ্ময় বৰদলৈ | ১৭৯ |
| ২০। উষা প্ৰিয়ম্বদাৰ 'বাপসী' | ভাৰতী লালুং | ১৯২ |
| ২১। শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ 'অভাগীৰ স্বৰ্গ' এটি বিশ্লেষণ | ড° গীতিকা দাস | ১৯৮ |
| ২২। বেছগৰহাল্লি ৰামান্নাৰ গান্ধী ঃ এটি বিশ্লেষণ | মনোজ কুমাৰ দেওৰজা | ২০৩ |
| ২৩। নৱকান্ত বৰুৱাৰ 'অপদাৰ্থ' ঃ এক বিশ্লেষণ | ড° মৌচুমী দত্ত | ২১৩ |
| ২৪। হেম বৰুৱাৰ 'মেকং নৈ দেখিলো' ঃ অন্তৰ্দৃষ্টিৰ সাৰ্থক উপস্থাপন | বনশ্ৰী নাথ | ২১৯ |
| ২৫। কথা চহকী মাৰ্কিন ডেকাৰ সংগ-সুখ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন | ড° বিনীতা মৰাং | ২৩৯ |
| ২৬। কল্পবিজ্ঞান কাহিনী আৰু অসমীয়া কল্পবিজ্ঞান উপন্যাস | ড° চিত্ৰজিৎ শইকীয়া | ২৪৭ |
| ২৭। লক্ষ্মীধৰ শৰ্মাৰ গল্প 'পৰাজয়' আৰু 'নীনা'ৰ চৰিত্ৰ আৰু পৰিস্থিতি চিত্ৰণ | হিৰোমা নাথ | ২৫৪ |
| ২৮। অসমীয়া শিশু সাহিত্য | ড° মালবিকা বাগলাৰী | ২৬৩ |
| ২৯। হোমেন বৰগোহাঞিৰ 'শূন্যতা' পাঠত জীৱনবোধ আৰু বাস্তৱতা | নিজুমণি বনিয়া | ২৭৩ |
| ৩০। দেবব্ৰত দাসৰ 'আশা আৰু সান্ত্বনাৰ কথা' এক চমু অৱলোকন | গায়ত্ৰী খাৰঘৰীয়া | ২৮৩ |
| ৩১। হীৰেন ভট্টাচাৰ্যৰ কবিতা শৰ-সন্ধান | ড° পুণ্য লতা গোহাঁই | ২৮৯ |

# দেৱব্ৰত দাসৰ 'আশা আৰু সান্ত্বনাৰ কথা' এক চমু অৱলোকন

গায়ত্ৰী খাৰঘৰীয়া

**অৱতৰণিকা ঃ**

অসমীয়া গল্প শিল্পৰ বিষয়বস্তু নিৰ্বাচন আৰু আংগিকৰ ক্ষেত্ৰত অভিনৱত্ব দেখুওৱা এজন মননশীল গদ্যশিল্পী হ'ল দেৱব্ৰত দাস। তেখেতে অসমৰ সমাজ জীৱনৰ আটাইতকৈ অস্থিৰ সময়ছোৱাৰ মাজেৰে পাৰ হৈ নিজস্ব শিল্পবোধেৰে পৰিচালিত হৈ গদ্য লিখিবলৈ আৰম্ভ কৰিছিল।দেৱব্ৰত দাসৰ গল্প, উপন্যাস, উপন্যাসিকা তথা ব্যক্তিগত ৰচনাৰ সংকলনসমূহে তেখেতৰ গদ্যশিল্পৰ চমৎকাৰিত্বৰ উমান দিয়ে। তেখেতৰ গদ্যসমূহত Lived exprience দেখা পোৱা যায়। 'অৰ্পিতাৰ এৰাতি' তেখেতৰ তেনে এটি গল্প। দেৱব্ৰত দাসৰ ব্যক্তিগত ৰচনা সংকলন বিশেষকৈ 'হিয়াৰ পখিলাবোৰ'ত এই কথা অতি স্পষ্টকৈ প্ৰকাশ পাইছে। তাৰ লগতে দাসৰ গদ্যত নগৰীয়া জীৱনৰ যন্ত্ৰৱৎ সভ্যতাতকৈ বেছি অনুভৱৰ বহিৰ্প্ৰকাশ দেখা পোৱা যায়। তেখেতৰ প্ৰায়বোৰ সৃষ্টিশীল সাহিত্যৰ চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত সংবেদনশীলতাৰ লগতে উপস্থাপনৰ ক্ষেত্ৰত অস্থিৰ সময়ৰ ক্ষোভবোধ, ৰাজনৈতিক চেতনাৰ সম্যক প্ৰতিফলন মন কৰিবলগীয়া। আধুনিক বিচ্ছিন্নতামুখী সমাজৰ প্ৰকাশ ঘটাই জীৱনমুখী সময়ক প্ৰতিনিধিত্বৰ চেষ্টা দেৱব্ৰত দাসে কৰে। পাঠক বিশেষে দেৱব্ৰত দাসৰ গদ্যৰ স্থান আৰু পৰিতৃপ্তি সুকীয়া। পাঠকৰ চেতনা আৰু ভাৱনাক স্পৰ্শ কৰাৰ চেষ্টা তেখেতৰ সাহিত্যই কৰে যদিও সকলো সময়তে সফলতা লাভ নকৰে। তথাপিও যিসকল পাঠকে দেৱব্ৰত দাসৰ লেখনশৈলীৰ পৰিপূৰ্ণতাক অনুধাৱন কৰিব পাৰে তেনে পাঠকৰ বাবে দেৱব্ৰত দাস প্ৰিয় লেখক হৈ পৰে।

এই আলোচনাত দেৱব্ৰত দাসৰ ব্যক্তিগত ৰচনা সংকলন 'হিয়াৰ পখিলাবোৰ'ৰ অন্তৰ্গত 'আশা আৰু সান্ত্বনা'ৰ কথা চমু আভাস দিয়া হৈছে।

**দেৱব্ৰত দাসৰ চমু পৰিচয় ঃ**

১৯৫০ চনত গুৱাহাটীৰ উজান বজাৰত জন্ম লাভ কৰা দেৱব্ৰত দাসে নিচেই